# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 27-05-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
## HEADLINES
**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত পদ্ম বঁটাসমূহ প্ৰদান কৰিব।

৩। জনজাতীয় লোকসকলৰ সৰ্বাংগীন বিকাশৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি জনজাতীয় পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামে প্ৰকাশ কৰিছে।

৪। মণিপুৰত নিৰাপত্তা বাহিনীৰ লোকে ৰাজ্যিক পৰিবহন নিগমৰ বাছত থকা মণিপুৰ শব্দটো মচি দিয়াক কেন্দ্ৰ কৰি জনসাধাৰণৰ প্ৰতিবাদ অব্যাহত আছে।

*আৰু*

৫। পাঞ্জাব কিংছে আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ শীৰ্ষ দুটা দলৰ মাজত স্থান সুনিশ্চিত কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাটৰ গান্ধী নগৰৰ মহাত্মা মন্দিৰত আয়োজিত এটা অনুষ্ঠানত গুজৰাটৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা বিভিন্ন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। পাঁচ হাজাৰ ৫৩৬ কোটি টকা ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া এই প্ৰকল্পসমূহে নগৰীয়া উন্নয়ন, আন্তঃগাঁথনি, জন সম্পদ ব্যৱস্থাপনা, স্বাস্থ্য সেৱা, ৰাজহ সেৱাকে ধৰি বিভিন্ন ক্ষেত্ৰক সামৰি লৈছে।

শ্ৰী মোদীয়ে ইয়াৰ লগতে গান্ধী নগৰত গুজৰাটৰ নগৰীয়া বিকাশ যাত্ৰাৰ কুৰি বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এটা বিশেষ অনুষ্ঠানটো অংশগ্ৰহণ কৰিব। গুজৰাটক পৰিকল্পিত আন্তঃগাঁঠনি, পূৰ্বতকৈ উন্নত প্ৰশাসন ব্যৱস্থা আৰু নগৰ অঞ্চলত বাস কৰা লোকৰ জীৱন ধাৰণৰ মানৰ উন্নয়নৰ জৰিয়তে গুজৰাটৰ নগৰসমূহক বিকশাই তোলাৰ লক্ষ্যৰে ৰাজ্যখনৰ সেই সময়ত মুখ্যমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০০৫ চনক নগৰীয়া বিকাশৰ বৰ্ষ হিচাপে বিশেষ উদ্যম গ্ৰহণ কৰিছিল। সেই উদ্যমৰ ২০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এইবেলিও আজিৰ অনুষ্ঠানত চলিত বৰ্ষটোক শ্ৰী মোদীয়ে নগৰীয়া বিকাশৰ বৰ্ষ হিচাপে ঘোষণা কৰিব। তেওঁ লগতে গুজৰাটৰ নগৰ উন্নয়ন পৰিকল্পনা আৰু ৰাজ্যখনৰ নগৰ অঞ্চলত বায়ুৰ গুণাগুণ উন্নত কৰাৰ লগতে বহনক্ষম জীৱন ধাৰণৰ বাবে ৰাজ্যিক নিকা বায়ু কাৰ্যসূচীও মুকলি কৰিব। আজিৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত ২২ হাজাৰতকৈও অধিক

হিতাধিকাৰীক বাসগৃহ প্ৰদান কৰিব। শ্ৰী মোদীয়ে আজি স্বৰ্ণিম জয়ন্তী মুখ্যমন্ত্ৰী ছহেৰী বিকাশ যোজনাৰ অধীনত গুজৰাটৰ স্থানীয় নগৰীয়া সংস্থাসমূহলৈ তিনি হাজাৰ ৩০০ কোটি টকাৰ পুঁজি মুকলি কৰিব।

দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰীগৰাকীয়ে কালি গুজৰাটত উপস্থিত হয়। কালি বিয়লি ভুজত আয়োজিত এটা অনুষ্ঠানত তেওঁ ৫৩ হাজাৰ ৪০০ কোটিৰো অধিক টকা ব্যয়েৰে ৰূপায়ণ কৰিবলগীয়া ভালেমান উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ পূৰ্বে শ্ৰী মোদীয়ে ডাহোৰত ২৪ হাজাৰ কোটিৰো অধিক ধনৰ ব্যয়ৰে ৰূপায়ণ কৰিবলগীয়া আন ভালেমান উন্নয়নমূলক প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কালি ডাহোৰত ভাৰতীয় ৰে'লৰেৰ এটা লকোম'টিভ ইঞ্জিন নিৰ্মাণ কেন্দ্ৰৰ শুভাৰম্ভ কৰিব। এই কেন্দ্ৰটোত দেশত ব্যৱহাৰৰ লগতে ৰপ্তানিৰ বাবে ৯ হাজাৰ হৰ্ছপাৱাৰ শক্তি সম্বলিত বৈদ্যুতিক লকোম'টিভ ইঞ্জিন নিৰ্মাণ কৰা হ'ব। তেওঁ লগতে প্ৰকল্পটোত নিৰ্মাণ কৰা প্ৰথমটো বৈদ্যুতিক লকোম'টিভ ইঞ্জিনৰ যাত্ৰাৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত পদ্ম বঁটাসমূহ প্ৰদান কৰিব। দেশৰ অন্যতম সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহ পদ্ম বিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী- এই তিনিটা পৰ্যায়ত প্ৰদান কৰা হয়। শিক্ষা, সমাজসেৱা, জনসংযোগ, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, চিকিৎসা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া তথা অসামৰিক সেৱাকে ধৰি বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱাৰ বাবে এই বঁটাসমূহ প্ৰদান কৰা হয়। এই বছৰ গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত চৰকাৰে ১৩৯টা পদ্ম বঁটা ঘোষণা কৰিছিল। ইয়াত ৭টা পদ্ম বিভূষণ, ১৯টা পদ্মভূষণ আৰু ১১৩ পদ্মশ্ৰী বঁটা আছে। ইয়াৰ পূৰ্বেও যোৱা ২৮ এপ্ৰিলত ৰাষ্ট্ৰপতিগৰাকীয়ে চলিত বৰ্ষৰ পদ্ম বঁটা প্ৰদানৰ প্ৰথমটো অনুষ্ঠানত ভালে কেইগৰাকী ব্যক্তিক বঁটাৰে সন্মানিত কৰিছিল।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ৰাষ্ট্ৰপতি ভৱন সাংস্কৃতিক কেন্দ্ৰত দেশৰ উচ্চতম ন্যায়ালয়ৰ নতুন মুখ্য ন্যায়াধীশ ভূষণ ৰামকৃষ্ণ গাবাইক আদৰণি জনাবলৈ নৈশ ভোজৰ আয়োজন কৰে। নৈশ ভোজত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ, আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুনৰাম মেঘৱালকে ধৰি ভালে সংখ্যক গণ্য-মান্য ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

ভাৰতৰ প্ৰতিৰক্ষা উদ্যোগিক ভেটি শক্তিশালী কৰাৰ লগতে প্ৰতিৰক্ষা ৰাজহুৱা খণ্ডৰ প্ৰতিযোগিতামূলক সামৰ্থ্য বৃদ্ধিৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। কালি নতুন দিল্লীত অনুষ্ঠিত অষ্টম ডি পিএছ ইউৰ পৰ্য্যালোচনা বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই কথা প্ৰকাশ কৰে। এই বৈঠকত অপাৰেশ্যন সিন্দুৰৰ সময়ত ভাৰতীয় সেনাবাহিনীক ডি পি এছ ইউকে ধৰি সমগ্ৰ প্ৰতিৰক্ষা উদ্যোগে ভাৰতীয় সেনাবাহিনীক কৰা সহায়-সাহায্যৰ বাবে শ্ৰী সিঙে প্ৰশংসা কৰে। পৰিৱৰ্তিত  গোলকীয় ভূৰাজনৈতিক পৰিস্থিতি আৰু শেহতীয়া উদ্ভাৱন তথা

সংস্কাৰৰ প্ৰতি লক্ষ্য ৰাখি প্ৰযুক্তি আৰু গৱেষণাৰ সহায়ত ডি পি এছ ইউৰ উৎপাদন সামৰ্থ্য বৃদ্ধি কৰিব লাগিব বুলিও শ্ৰী সিঙে মত প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ২০৪৭ত অমৃত কালৰ লক্ষ্যত উপনীত হোৱাৰ বাবে ভাৰতীয় বন্দৰ খণ্ডক শক্তিশালী কৰিবলৈ ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণত গুৰুত্ব প্ৰদান কৰে। মুম্বাইত কালি জৱাহৰলাল নেহৰু বন্দৰ প্ৰাধীকৰণৰ ৩৬ সংখ্যক জয়ন্তী উদযাপনত অংশগ্ৰহণ কৰি শ্ৰী সোণোৱালে এই কথা প্ৰকাশ কৰে। তেওঁ জৱাহৰলাল নেহৰু বন্দৰ প্ৰাধীকৰণৰ ৩৬ বছৰীয়া সুদীৰ্ঘ সফল যাত্ৰাৰ প্ৰশংসা কৰে। এই বন্দৰটোৱে দেশৰ সৰ্ববৃহৎ কণ্টেইনাৰ বন্দৰ হিচাপে কৃতিত্বৰে কাম কৰি আহিছে। এই বন্দৰটোক অধিক শক্তিশালী কৰি তুলিবলৈ তেওঁ ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণক আহ্বান জনাইছে।

ooooo

জনজাতীয় লোকসকলৰ সৰ্বাংগীন বিকাশৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি জনজাতীয় পৰিক্ৰমা মন্ত্ৰী জুৱেল ওৰামে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি সাংসবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে জনজাতীয় লোকসকলৰ আৰ্থসামাজিক বিকাশৰ বাবে চৰকাৰে বিগত দশকটোত গ্ৰহণ কৰা মূল পদক্ষেপ সমূহৰ বিষয়ে প্ৰকাশ কৰি এই লোকসকলৰ উন্নয়নৰ বাবে চৰকাৰৰ নিৰন্তৰ প্ৰয়াসত আলোকপাত কৰে। পি এম জন্‌মন্‌ উদ্যমৰ বিষয়ে প্ৰকাশ কৰি তেওঁ কয়, যে চৰকাৰে দেশৰ ১৮ ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলত বসবাস কৰা সহজে বিপদৰ সন্মুখীন হোৱাৰ আশংকা থকা ৭৫ টা জনজাতীয় গোটৰ সৰ্বাংগীন বিকাশৰ লক্ষ্যৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। কেন্দ্ৰীয় চৰকাৰে এই পদক্ষেপৰ বাবে ১৫ হাজাৰ কোটিতকৈও অধিক ধনৰ আৱণ্টন দিয়া বুলি তেওঁ প্ৰকাশ কৰে। জনজাতীয় লোকসকলে যাতে চৰকাৰৰ বিভিন্ন উন্নয়নমূলক কাৰ্যসূচীৰ পৰা সুফল লাভ কৰিব পাৰে, তাৰ প্ৰতিও চৰকাৰে দৃষ্টি ৰাখিছে বুলি শ্ৰী ওৰামে জানিবলৈ দিয়ে।

ooooo

মণিপুৰত নিৰাপত্তা বাহিনীৰ লোকে ৰাজ্যিক পৰিবহন নিগমৰ বাছত থকা "মণিপুৰ" শব্দটো মচি দিয়াক কেন্দ্ৰ কৰি জনসাধাৰণৰ প্ৰতিবাদ অব্যাহত অছে। উল্লেখযোগ্য যে কিছুদিন পূৰ্বে ৰাজ্যখনৰ গাৱালটাবিত নিৰাপত্তা বাহিনীৰ লোকে সাংবাদিকৰ দল কঢ়িয়াই নিয়া ৰাজ্যিক পৰিবহন নিগমৰ বাছ এখনৰ পৰা "মণিপুৰ" শব্দটো মচি দিবলৈ বাধ্য কৰা ঘটনাক কেন্দ্ৰ কৰি মণিপুৰ সংঘাটৰ সৃষ্টি হৈছিল। গাৱালটাবিত সংঘটিত এই ঘটনাৰ পাছতে ৰাজ্যখনৰ পশ্চিম ইম্ফলৰ পৰা অহা বহু লোকে কাৱাইথেলত সমবেত হৈ প্ৰতিবাদ সাৱ্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে ৰাজ্যপাল অজয় কুমাৰ ভাল্লাৰ পৰা এই ঘটনা সংক্ৰান্তত ক্ষমাৰ দাবী তোলে। ইপিনে ক'ক'মি সমিতিৰ নেতৃত্বত এটা প্ৰতিনিধি দলে এই ঘটনাৰ সৱিশেষ আলোচনা কৰিবলৈ কালি সন্ধিয়া নতুন দিল্লীলৈ ৰাওনা হৈছে। প্ৰতিনিধি দলটোৱে

আজি মণিপুৰ সংঘাটক লৈ গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ বিষয়ববীয়াসকলক সাক্ষাৎ কৰাৰ কথা আছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছে মুম্বাই ইণ্ডিয়ানছক ৭ উইকেটত পৰাস্ত কৰে। এই জয়ৰ সুবাদত পাঞ্জাবে প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ শীৰ্ষ দুটা দলৰ মাজত নিজৰ স্থান সুনিশ্চিত কৰে। দলটোৱে লগতে অহা বৃহস্পতিবাৰে ছণ্ডিগড়ত হ'বলগীয়া প্লে অফ পৰ্যায়ৰ প্ৰথমখন কোৱালিফায়াৰ খেলৰ বাবেও যোগ্যতা অৰ্জন কৰে। কালিৰ খেলখনত ১৮৫ ৰানৰ জয়ৰ লক্ষ্যৰে খেলি দলটোৱে ১৮ অভাৰ আৰু ৩ টা বলত তিনিটা উইকেট হেৰুৱাই বিজয় লক্ষ্য অতিক্ৰম কৰে। দলৰ হৈ জছ্ ইংলিছে ৭৩ আৰু প্ৰিয়াংশ আৰ্যই ৬২ ৰানৰ বৰঙণি আগবঢ়ায়। খেলখনত আগবঢ়োৱা অনবদ্য প্ৰদৰ্শনৰ বাবে জছ্ ইংলিছক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। মুম্বাইৰ মিছেল ছেণ্টনাৰে দুটা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি মুম্বাই ইণ্ডিয়ানছে নিৰ্ধাৰিত ২০ অভাৰত ৭ টা উইকেট হেৰুৱাই ১৮৪ ৰান কৰে। পাঞ্জাবৰ অৰ্শদীপ সিং, মাৰ্কো জেনছেন আৰু বিজয় কুমাৰে দুটাকৈ আৰু হৰপ্ৰিত ব্ৰাৰে এটা উইকেট দখল কৰে। এই জয়ৰ সুবাদত পাঞ্জাবৰ দলটো সম্প্ৰতি পইণ্ট তালিকাৰ শীৰ্ষত আছে। প্লে অফ পৰ্যায়ত মুম্বাইয়ে শুকুৰবাৰে এলিমিনেটৰ খেলখনত অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েণ্ট, ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

০০০০০

ভাৰতৰ আগশাৰীৰ পেৰা এথলিট মহেন্দ্ৰ গুৰজৰে ছুইজাৰলেণ্ডত চলি থকা নটৱিল বিশ্ব পেৰা এথলেটিক্‌ছ্ প্ৰতিযোগিতাৰ পুৰুষৰ F 42 জেভলিন শিতানত ৬১ দশমিক ১৭ মিটাৰ দূৰত্বলৈ জেভলিন নিক্ষেপ কৰি নতুন বিশ্ব অভিলেখ সৃষ্টি কৰিছে। এই দূৰত্বৰ জৰিয়তে ২৭ বছৰীয়া খেলুৱৈগৰাকীয়ে ২০২২ বৰ্ষত ব্ৰাজিলৰ ৰোবাৰ্ট ফ্ল'ৰিয়ানি এডেনিলচনৰ ৫৯ দশমিক ১-৯ মিটাৰ দূৰত্বৰ পূৰ্বৰ অভিলেখ ভংগ কৰে। প্ৰতিযোগিতাত নিজৰ তৃতীয়টো প্ৰচেষ্টাত গুৰজৰে এই অভিলেখ সৃষ্টি কৰে। এখন ভৰিৰ কাম-কাজত মজলীয়া ধৰণৰ বিসংগতি থকা খেলুৱৈসকলে অংশ লোৱা এই শিতানত গুৰজৰে প্ৰথম দুটা প্ৰচেষ্টাত ক্ৰমে ৫৬ দশমিক ১-১ আৰু ৫৫ দশমিক ৫-১ মিটাৰ দূৰত্বলৈ জেভলিন নিক্ষেপ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ পূৰ্বে খেলুৱৈগৰাকীয়ে যোৱা ২৩ মে'ত প্ৰতিযোগিতাৰ T 42 লং জাম্প শিতানতো ৫ দশমিক ৫-৯ মিটাৰ দূৰত্বলৈ জপিয়াই সোণৰ পদক অৰ্জন কৰিছিল। ইপিনে পেৰালিম্পিকছত ভাৰতৰ হৈ দুটাকৈ সোণৰ পদক অৰ্জন কৰা সুমিত আন্টিলে প্ৰতিযোগিতাত F 64 জেভলিন শিতানত ৭২ দশমিক ৩-৫ মিটাৰলৈ জেভলিন নিক্ষেপ কৰি দেশৰ হৈ আন এটা সোণৰ পদক অৰ্জন কৰিছে।

০০০০০

সমাপ্ত